**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-03-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে আজি বিজেপিকে ধৰি কংগ্ৰেছ, ৰাইজৰ দল, অসম জাতীয় পৰিষদ, অসম গণ পৰিষদ, ইউ পি পি এল, বি পি এফকে ধৰি কেইবাটাও ৰাজনৈতিক দলৰ প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে।

ৰাজ্যখনৰ প্ৰায় আটাইবোৰ জিলাৰ কেইবাটাও সমষ্টিত আজি ১০৯ গৰাকী প্ৰাৰ্থীয়ে সৰ্বমুঠ ২০৯ খন মনোনয়ন পত্ৰ দাখিল কৰে। এতিয়ালৈকে ১১৬ গৰাকী প্ৰাৰ্থীয়ে মুঠ ২১৯ খন মনোনয়ন পত্ৰ দাখিল কৰে। উল্লেখযোগ্য যে অহা ২৩ মাৰ্চ মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন। ০

০০০০০

সমাগত বিধানসভা নিৰ্বাচনত নিৰাপত্তাৰ দিশটোত সমন্বয় স্থাপনৰ বাবে অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙে আজি কেন্দ্ৰীয় বাহিনী আৰু সংস্থাসমূহৰ সৈতে এখন বৈঠকত মিলিত হয়। দুৰ্ঘটনামুক্ত, স্বচ্ছ আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে বৈঠকত গুৰুত্ব আৰোপ কৰা হয়। এই বৈঠকত ৰাজ্য চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগৰ অতিৰিক্ত মুখ্য সচিব অজয় তিৱাৰী, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ বিশেষ সঞ্চালক প্ৰধান ভিতুল কুমাৰ, অসমৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেল আৰু অসম আৰক্ষীৰ বিশেষ সঞ্চালক প্ৰধান হীৰেণ নাথ উপস্থিত থাকে।

০০০০

আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কামৰূপ মহানগৰ জিলাৰ সাধাৰণ পৰ্যবেক্ষকদ্বয় হিমশেখৰ গুপ্তা আৰু প্ৰদীপ কৃষ্ণাৰাও দাংগেই আজি মহানগৰীৰ বেটকুছিৰ মণিৰাম দেৱান বাণিজ্য কেন্দ্ৰ পৰিদৰ্শন কৰে। এই দুয়োগৰাকী পৰ্যবেক্ষকৰ লগত আৰক্ষী পৰ্যবেক্ষক আছলাম খান আৰু ব্যয় পৰ্যবেক্ষকদ্বয় ৰঞ্জন প্ৰকাশ তথা ৰজত সেনো উপস্থিত থাকে। নিৰ্বাচনৰ সময়ত ব্যৱহাৰ হ'বলগীয়া ষ্টং ৰূমকে ধৰি ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ যাৱতীয় দিশসমূহ পৰ্যবেক্ষকগৰাকীয়ে পৰ্যালোচনা কৰে। এই পৰিদৰ্শনকালত কামৰূপ মহানগৰৰ জিলা নিৰ্বাচনী বিষয়া স্বপ্নীল পাল উপস্থিত থাকে।

০০০০

নিৰ্বাচন আয়োগে জাৰি কৰা এটা নিৰ্দেশনা অনুসৰি আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত দৰং নিৰ্বাচনী জিলাৰ অধীনৰ সকলো কাৰ্যালয়ৰ মুৰব্বী, পি এছ ইউ, বেংক কৰ্তৃপক্ষক নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱা পৰ্যন্ত ৰবিবাৰ আৰু ঘোষিত ছুটিৰ দিনতো কাৰ্যালয় খোলা ৰাখিবৰ বাবে দৰং জিলা প্ৰশাসনে নিৰ্দেশনা জাৰি কৰিছে। জিলা নিৰ্বাচনী বিষয়া তথা জিলা আয়ুক্ত আয়ুশী জৈনে জাৰি কৰা এই নিৰ্দেশনা দেশৰ নিৰ্বাচন

আয়োগৰ সামগ্রিক তত্বাৱধান, দিশ নির্দেশ আৰু নিয়ন্ত্রণৰ অধীনত বলবৎ কৰা হৈছে। ইয়াৰ লগতে তেনেধৰণৰ বন্ধৰ দিনবোৰত অন্তত এজন কার্যালয় সহায়ক আৰু এজন চতুর্থবর্গৰ কর্মচাৰী কার্যালয়ত উপস্থিত থকাতো নিশ্চিত কৰিব লাগিব। এই নির্দেশনা উলংঘন হ'লে বা পালন কৰাত ব্যর্থ হলে সংশ্লিষ্ট চৰকাৰী বিষয়া, কর্মচাৰীৰ বিৰুদ্ধে নির্বাচন আয়োগৰ পৰামর্শ অনুসৰি শাস্তিমূলক ব্যৱস্থা গ্রহণ কৰা হ'ব বুলি জিলা আয়ুক্তৰ নির্দেশনাটোত উল্লেখ আছে।

oooo

তামুলপুৰ জিলাত ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ যোগান নিশ্চিত আৰু গ্রাহকৰ উদ্বেগ দূৰ কৰিবলৈ জিলা প্রশাসনে গুৰুত্বপূর্ণ সিদ্ধান্ত গ্রহণ কৰিছে। ইয়াৰে অংশ হিচাপে তামুলপুৰ জিলা আয়ুক্তৰ কার্যালয়ৰ পৰা এখন জাননী জাৰি কৰা হয়। জাননী অনুসৰি এতিয়াৰে পৰা জিলাখনৰ যিকোনো ঘৰুৱা ৰন্ধন গেছৰ গ্রাহকে চিলিণ্ডাৰৰ যোগান সম্পর্কীয় কোনো অভিযোগ, সমস্যা বা জৰুৰীকালীন পৰিস্থিতিৰ বাবে পোনপটীয়াকৈ **জিলা জৰুৰীকালীন পৰিচালনা কক্ষত** জনাব পাৰিব। চিলিণ্ডাৰ যোগানত বিলম্ব হোৱা, অতিৰিক্ত মূল্য সংগ্রহ কৰা, ক'লা বজাৰ বা তেনে কোনো সমস্যাৰ দ্রুত সমধানৰ বাবে প্রশাসনে ৯৩৮৭৮ ৯৩৩৯৪ নম্বৰ আৰু ০৩৬২৪-১০৭৭ লেনলাইন নম্বৰত যোগাযোগ কৰিব পাৰিব। জিলা আয়ুক্ত চিমি কৰণে জনোৱা মতে, জিলা প্রশাসনে সমগ্র পৰিস্থিতি সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে আৰু সংশ্লিষ্ট বিষয়াসকলক অভিযোগৰ ভিত্তিত ব্যৱস্থা গ্রহণ কৰিবলৈ নির্দেশ দিছে।

oooo

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত **অসম বিধানসভা নির্বাচন-২০২৬** শীর্ষক এটা আলোচনা প্রচাৰ কৰা হ'ব। অনুষ্ঠানত বিজেপিৰ মুখপাত্র ৰঞ্জীৱ কুমাৰ শর্মা আৰু কংগ্রেছৰ মুখপাত্র ৰূপক দাস অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানৰ আঁত ধৰিব অৰূপ কুমাৰ শর্মা আৰু অৰুণিমা গোস্বামীয়ে।

oooo

ধেমাজী জিয়াঢল চাৰিআলীত ১৫ নম্বৰ ৰাষ্ট্রীয় ঘাইপথত আজি কিছুসময় পূর্বে সংঘটিত এটা পথ দুর্ঘটনাত এগৰাকী মহিলা চিকিৎসক নিহত হয়। দুর্ঘটনাটোত নিহত চিকিৎসকগৰাকী লখিমপুৰ কেঞ্চাৰ হাস্পাতালৰ চিকিৎসক ডাঃ প্রিয়া কুলি বুলি জানিব পৰা গৈছে। আনহাতে, দুর্ঘটনাত গুৰুতৰভাৱে আহত প্রিয়া কুলিৰ স্বামী ডাঃ সীমান্ত কুলিক ততাতৈয়াকৈ ধেমাজী অসামৰিক চিকিৎসালয়লৈ নিয়া হৈছে। দুয়োগৰাকী চিকিৎসকৰে ঘৰ মাজুলী নয়াবজাৰত বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে এখন ১৬ চকীয়া ট্রাক ৰাষ্ট্রীয় ঘাইপথত বাগৰি পৰাৰ ফলত চিকিৎসক দম্পত্তিৰ চাৰিচকীয়া বাহনখন দুর্ঘটনাত পতিত হয়।

oooo

ঃঃ সমাপ্ত ঃঃ